**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১।   ডুমডুমাত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ১৮৩ কোটি টকাৰ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠান।

২।   চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীত ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে উদযাপন।

৩।   সোণাপুৰত নিৰ্মাণ হ'বলগীয়া জুবিনক্ষেত্ৰৰ চৌপাশে সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ বাবে নিৰ্মাণ সমিতিৰ প্ৰতিনিধি দলৰ আহ্বান। অসম সহ দেশৰ বিভিন্ন প্ৰান্তত আজি মুক্তি লাভ কৰা 'ৰৈ ৰৈ বিনালে' ছবিক লৈ দৰ্শনাৰ্থীৰ উছাহ।

৪।   আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ আজি ডিব্ৰুগড়ত শেষকৃত্য।

*আৰু*

৫।   আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ ফাইনেলত প্ৰৱেশ। যোৱানিশা মুম্বাইত অনুষ্ঠিত ছেমি ফাইনেলত অষ্ট্ৰেলিয়া ৫ উইকেটত পৰাজিত ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডুমডুমাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদানৰ লগতে ১৮৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ডুমডুমাৰ ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত আত্মসহায়ক গোটৰ ১৩ হাজাৰ ৮২২ গৰাকী হিতাধিকাৰীৰ মাজত উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰা হ'ব। ড০ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ডুমডুমাৰ পুৰণি এ টি ৰোডৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ডুমডুমা নগৰ আৰু কাষৰীয়া অঞ্চলত দুটাকৈ বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ২৪ টা বিদ্যালয় ভৱন নিৰ্মাণ, ডুমডুমা মহাবিদ্যালয়ৰ ষ্টেডিয়াম নিৰ্মাণ, কেইবাখনো বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা আৰু সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৰাইজৰ বাবে উৎসৰ্গা কৰিব। এই উপলক্ষে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত মুখ্যমন্ত্ৰী জনসাধাৰণক উদ্দেশি ভাষণ দিব। তেওঁ এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্চিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড° শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি উত্তৰ লখিমপুৰৰ খেলমাটিত ড° ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। সুধাকণ্ঠৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে উত্তৰ লখিমপুৰ পৌৰসভাই ৪০ লাখ টকা ব্যয়ৰে এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰিছে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত উত্তৰ লখিমপুৰ নগৰত নতুনকৈ নিৰ্মাণ কৰা গৌৰৱ পথৰ উদ্বোধন কৰে। নগৰখনৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰি মুখ্যমন্ত্ৰী নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ২ কোটি ৮৭ লাখ টকাৰে শিৱমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ এই পথছোৱা নিৰ্মাণ কৰা হৈছে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে কালি শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয়, যে মহিলাসকলে যাতে সমাজত সন্মান সহকাৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এই আঁচনি ৰূপায়ণ কৰিছে। তেওঁ লগতে শদিয়াৰ বৰপথাৰ গাঁৱত থকা সোণোৱাল কছাৰীসকলৰ পৱিত্ৰ স্থান খ্ৰীং খ্ৰীং বাইথো মন্দিৰত পূজা-অৰ্চনা কৰে।

oooooo

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৰা একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

প্ৰতিবছৰে ৩১ অক্টোবৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। এই দিনটো ৰাষ্ট্ৰীয় একতা, সংহতি আৰু সুৰক্ষাৰ প্ৰসাৰৰ বাবে উৎসৰ্গিত।

একতা দিৱস উপলক্ষে আজি **হাটশিঙিমাৰী**ত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। হাটশিঙিমাৰী মহাবিদ্যালয়ৰ এন চি চি, এন এছ এছ আৰু কেইবাখনো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে আৰক্ষীয়ে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰাৰ লগতে চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰে। হাটশিঙিমাৰী আৰক্ষী চাউনীৰ পৰা পুৰা একতাৰ বাবে দৌৰ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক সিংহাৰাম মিলিয়ে অংশগ্ৰহণ কৰে। **কাছাৰ** জিলা প্ৰশাসনে আজি শিলচৰত ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ঐক্য পদযাত্ৰাৰ আয়োজন কৰে। জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ পৰা আৰম্ভ হোৱা এই পদযাত্ৰা গান্ধীবাগত সামৰণি মৰা হয়। পদযাত্ৰাত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱৰ লগতে অন্যান্য প্ৰশাসনিক বিষয়া আৰু বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। **গোৱালপাৰা**তো পুৰা আৰক্ষীয়ে কুচ-কাৱাজ প্ৰদৰ্শন আৰ সমূহীয়া দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা এই সমূহীয়া দৌৰ জিলা সংৰক্ষিত আৰক্ষী চাউনীত সামৰণি মৰা হয়। একতা দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি সংৰক্ষিত আৰক্ষী চাউনীত শপত বাক্যও পাঠ কৰোৱা হয়। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে **কামৰূপ মহানগৰ** জিলাত আজি 'ইউনিটি মাৰ্চ এক ভাৰত আত্মনিৰ্ভৰ ভাৰত' কাৰ্যসূচী আৰম্ভ কৰা হৈছে। সাদিনীয়াকৈ ৰূপায়ণ কৰিবলগীয়া এই কাৰ্যসূচীৰ অধীনত অমৃত সৰোবৰসমূহ চাফ-চিকুণ কৰা, ৰাষ্ট্ৰীয় মহান ব্যক্তিসকলৰ প্ৰতিমূৰ্তিসমূহ পৰিষ্কাৰ কৰি মাল্যাৰ্পণ কৰা, সামাজিক ঘটনা প্ৰৱাহক লৈ বাটৰ নাট, যোগাসন আদি প্ৰদৰ্শন কৰা হ'ব। ৰাষ্ট্ৰীয় একতা দিৱসৰ সাদিনীয়া কাৰ্যসূচী সন্দৰ্ভত সাংসদ বিজুলী কলিতা মেধিয়ে এইদৰে কয় –

বাইট

**ডিব্ৰুগড়** জিলাৰ বিভিন্ন স্থানতো আজি ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হৈছে। ডিব্ৰুগড় মহানগৰৰ চৌকিদিঙীৰ পৰা থানা চাৰিআলিলৈকে একতা দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৌকত পাত্ৰকে ধৰি বিভিন্নজনে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ একতা নগৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই বছৰৰ ৰাষ্ট্ৰীয় একতা দিৱসত দেশৰ সুৰক্ষা বাহিনীসমূহৰ শক্তি, নিয়মানুৱৰ্তিতা আৰু বীৰত্বত আলোকপাত কৰি আকৰ্ষণীয় কুচকাৱাজ আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, ভাৰত-তিববত সীমান্ত আৰক্ষী, সশস্ত্ৰ সীমা বল আৰু অসম, ত্ৰিপুৰা, ওড়িশা, ছত্তিশগড়, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, জম্মু-কাশ্মীৰ, কেৰেলা আৰু অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যিক আৰক্ষী বাহিনীসমূহে কুচকাৱাজত অংশগ্ৰহণ কৰিছে।

oooooo

সোণাপুৰৰ কমাৰকুছিত নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰৰ চৌপাশে সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ বাবে জুবিন ক্ষেত্ৰ নিৰ্মাণ সমিতিৰ প্ৰতিনিধি দলে আহ্বান জনাইছে। দলটোৱে কালি হাতীমুৰা পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চল পৰিদৰ্শন কৰি সেউজীয়া পৰিৱেশৰ মাজতে প্ৰকৃতিক প্ৰাণভৰি ভালপোৱা শিল্পীগৰাকীয়ে শেষৰ জিৰণি লওক বুলি আশা প্ৰকাশ কৰে।

ইপিনে আজি অসম সহ দেশৰ বিভিন্ন প্ৰান্তত জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালে** মুক্তি দিয়া হৈছে। ৰাজ্যৰ বহু ঠাইত পুৱা চাৰি বাজি ২৫ মিনিটত ছবিখনৰ প্ৰথমটো দৰ্শনী প্ৰদৰ্শন কৰা হয়। প্ৰাণৰ শিল্পীগৰাকীৰ শেষ ছবিখন উপভোগ কৰাৰ বাবে ধলপুৱাতে বিভিন্ন ঠাইৰ ছবিগৃহসমূহত ভিৰ হোৱা পৰিলক্ষিত হৈছে। পুৱাৰ ভাগত অহা বৰষুণকো নেওচি ডেকা-বুঢ়া নিৰ্বিশেষে সকলো বয়সৰ লোকে ছবিগৃহ ভিৰ কৰিছে। প্ৰতিটো ছবিগৃহতে অহা কিছুদিনলৈ সকলো দৰ্শনীৰ বাবে দৰ্শকসকলে টিকট ক্ৰয় কৰিছে।

ইপিনে **ৰৈ ৰৈ বিনালে**ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এমাহত সংগ্ৰহ কৰা জি এছ টিৰ ধনৰাশি কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক ওভতাই দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সৈতে আলোচনাৰ অন্তত শিল্পীগৰাকীয়ে প্ৰতিষ্ঠা কৰা কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক এই ধন প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ডঃ শৰ্মাই কয়, যে অসমত কোনো ছবিৰ বাবে মনোৰঞ্জন কৰ লোৱা নহয় যদিও কেন্দ্ৰীয় চৰকাৰে ছবিৰ টিকটৰ বিনিময়ত কৰ সংগ্ৰহ কৰে। এশ টকাতকৈ অধিক মূল্যৰ টিকটত ১৮ শতাংশ আৰু এশ টকাতকৈ কম মূল্যৰ টিকটত ৫ শতাংশ জি এছ টি সংগ্ৰহ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে এই ছবিৰ বাবে এমাহত সংগ্ৰহ কৰা মুঠ জি এছ টিৰ ৫০ শতাংশ ৰাজ্য চৰকাৰক ওভতাই দিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

oooooo

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ শেষকৃত্য আজি দুপৰীয়াৰ নামাজৰ পাছত নালিয়াপুল কবৰস্থানত সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীৰ জানাজা ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি ৰাজ্য চৰকাৰে ঘোষণা কৰিছে। কালি নিশা শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা ডিব্ৰুগড়ৰ বাসগৃহলৈ নিয়া হয়।

যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে পৰহি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত কালি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা চৈয়দ ছাদুল্লা শৈশৱৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰত পাৰদৰ্শী হৈ উঠে আৰু পৰৱৰ্তী কালত গীতাৰ বাদক হিচাপে তেওঁ প্ৰসিদ্ধি লাভ কৰে। যোৱা শতিকাৰ সপ্তম দশকত ডিব্ৰুগড়ৰ কেইগৰাকীমান যুৱকে **দ্য কুইভাৰ্ছ** নামৰ উজনি অসমৰ প্ৰথমটো বেণ্ডৰ জন্ম দিয়ে। এই কুইভাৰ্ছৰ অন্যতম সদস্য আছিল চৈয়দ ছাদুল্লা। ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰে অংশকালীন ঘোষকৰূপে সেৱা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টৰূপে যোগদান কৰে। কিছু কাল আকাশবাণী মুম্বাই কেন্দ্ৰতো সেৱা আগবঢ়োৱাৰ পাছত তেওঁ আকাশবাণী ডিব্ৰুগড়লৈ প্ৰত্যাৱৰ্তন কৰে আৰু ২০০৮ চনত তেওঁ কেন্দ্ৰটোৰ পৰা অৱসৰ গ্ৰহণ কৰে।

যোৱা শতিকাৰ সপ্তম আৰু অষ্টম দশকত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত অতি জনপ্ৰিয় ভিন্নৰঙী অনুষ্ঠান **বৰ্ণালী**ৰো প্ৰধান উপস্থাপক আছিল চৈয়দ ছাদুল্লা।

পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে গীত ৰচনা, সংগীত ৰচনা আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ আজি প্ৰদান কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত দিনৰ ২ বজাত বঁটা বিতৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক  এই অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নবী মুম্বাইৰ ড° ডি ৱাই পাটিল ক্ৰীড়া একাডেমীত অনুষ্ঠিত তীব্ৰ উত্তেজনাময় ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ৩৩৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৯টা বল বাকী থকা অৱস্থাত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ জেমিমা ৰোড্ৰিগছে ১৩৪টা বলত ১২৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। হৰমনপ্ৰীত কৌৰৰ ৮৯ ৰানে ভাৰতীয় দলটোক বিজয়ৰ দিশে লৈ যোৱাত বিশেষ বৰঙণি যোগায়। অষ্ট্ৰেলিয়াৰ হৈ কিম গাৰ্থ আৰু এনাবেল ছুথাৰলেণ্ডে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩৮ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ফোবি লিটছফিল্ডে সৰ্বাধিক ১১৯ ৰান কৰে। ভাৰতৰ শ্ৰীচৰণী আৰু দিপ্তী শৰ্মাই দুটাকৈ উইকেট দখল কৰে। জেমিমা ৰোড্ৰিগছক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। ভাৰত অহা দেওবাৰে একেখন ষ্টেডিয়ামতে ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ১২৫ ৰানত জয় লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

দৰং জিলাৰ কলাইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ভূঞাখাট গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, লেখক, ড০ অম্বেদকাৰ সেৱাশ্ৰী বঁটাৰে  সন্মানিত তথা ভূঞাখাট সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পৰশুৰাম বৰুৱাৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ।

oooooo

News Paper REV/RNU (31-10-2025) MORN.

নিজৰ একক কণ্ঠেৰে দশক দশক ধৰি অনাতাঁৰ শ্ৰোতাক মোহাবিষ্ট কৰি ৰখা বিশিষ্ট সংগীতজ্ঞ, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, নাট পৰিচালক, আকাশবাণী ডিব্ৰুগড়ৰ প্ৰথমগৰাকী বাতৰি পৰিৱেশক তথা অনাতাঁৰ সম্প্ৰচাৰক ছৈয়দ ছাদুল্লাৰ কালি দেহাৱসানৰ বাতৰিটো দৈনিক অসম, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত আদিকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে ৰাজ্যৰ প্ৰায় ৭০ লাখ ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালক চলিত বছৰৰ নৱেম্বৰ মাহৰ ভিতৰত মচুৰ দাইল, চেনী আৰু আয়ডিনযুক্ত নিমখ বজাৰতকৈ কম দৰত প্ৰদান কৰিব। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনী, ১০ টকাত নিমখ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি অসম সহ দেশৰ বিভিন্ন প্ৰান্তত জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালে** মুক্তি দিয়া হৈছে। ৰাজ্যৰ বহু ঠাইত পুৱা চাৰি বাজি ২৫ মিনিটত ছবিখনৰ প্ৰথমটো দৰ্শনী প্ৰদৰ্শন কৰাৰ বাতৰিটো দৈনিক জনভূমি, আমাৰ অসম আদিকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে পোষ্টাৰসহিতে বাতৰি প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰাৰ বাতৰিটো দৈনিক অগ্ৰদূত, দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমত ২০২৭ চনত হ'বলগীয়া ডিজিটেল লোকপিয়লৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে আলোচনা মৰ্মে কেন্দ্ৰীয় চৰকাৰে অসমৰ ডিব্ৰুগড়, পশ্চিম কাৰ্বি আংলং আৰু হাইলাকান্দিত আগতীয়া পৰীক্ষণ সম্পন্ন কৰিব। এই বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউনৰ শিৰোনাম **Pre-test for India's first fully digital census to begin in 3 Assam districts**।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত